Total number of printed pages–4

**14 (ASM-1) 1016**

# 2019

## ASSAMESE

Paper : ASM-1016

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *এটা* বাক্যত উত্তৰ দিয়া ঃ ১×১০=১০

(ক) পালি ভাষাৰ উত্থানৰ সৈতে কি ধৰ্ম জড়িত হৈ আছিল ?

(খ) লেখন-ৰীতি স্মৃতি ধ্বংসকাৰী বুলি কোনে কৈছিল ?

(গ) আনন্দৰাম ঢেকিয়াল ফুকনে ৰচনা কৰা এখন অসমীয়া কিতাপৰ নাম লিখা।

(ঘ) মাধৱ কন্দলীৰ পৃষ্ঠপোষক ৰজাজনৰ নাম কি আছিল ?

(ঙ) 'অৰুনোদই' কাকতৰ প্ৰথমজন সম্পাদক কোন আছিল ?

(চ) হেম সৰস্বতীয়ে ৰচনা কৰা কিতাপখনৰ নাম কি ?

*Contd.*

(ছ) হেমচন্দ্ৰ বৰুৱাই কি ছদ্মনাম ব্যৱহাৰ কৰি 'অৰুণোদই' কাকতত লিখিছিল ?

(জ) অসমৰ প্ৰথমটো ছপাশাল ক'ত স্থাপন কৰা হৈছিল ?

(ঝ) উমাচল লিপি কোন শতিকাৰ সৃষ্টি ?

(ঞ) অসমীয়া ভাষাত 'লতা পনিয়ল' শব্দৰ ব্যৱহাৰ কোনে কৰিছিল ?

২। *তিনি-চাৰিটা* বাক্যত উত্তৰ দিয়া ঃ ২×১০=২০

(ক) লিখিত যুগত ৰচিত সাহিত্যৰ *দুটা* প্ৰধান বৈশিষ্ট্যৰ বিষয়ে লিখা।

(খ) প্ৰাচীন অসমত কি কি প্ৰকাৰৰ অনুশাসন আছিল ?

(গ) মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ ভাষাৰ *দুটা* বৈশিষ্ট্যৰ বিষয়ে লিখা।

(ঘ) চৰিত পুথিৰ ভাষাৰ প্ৰধান বৈশিষ্ট্য কি ? *দুখন* চৰিত পুথিৰ নাম লিখা।

(ঙ) ১৮৪৮ চনত প্ৰকাশিত অসমীয়া ভাষাৰ ব্যাকৰণখনৰ নাম কি ? এইখন কোনে লিখিছিল ?

(চ) ভাৰতীয় আঞ্চলিক ভাষাৰ উত্থান বুলিলে কি বুজা ?

(ছ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা *দুখন* ভাষা-বিষয়ক গ্ৰন্থৰ নাম লিখা।

(জ) ভাষিক সংযোগৰ স্বাক্ষৰ বহন কৰা *দুখন* বুৰঞ্জীৰ নাম লিখা।

(ঝ) অসমীয়া সাহিত্যিক ভাষাৰ উত্থানক প্ৰভাৱিত কৰা দুটা প্ৰধান কাৰক কি কি আছিল ?

(ঞ) মধ্যযুগৰ অসমৰ সাহিত্যিকে কিয় সংস্কৃত ভাষাৰ পৰিৱৰ্তে অসমীয়া ভাষাত সাহিত্য সৃষ্টি কৰিছিল ?

৩। চমুটোকা লিখা ঃ *(যিকোনো চাৰিটা)* *৫×৪=২০*

(ক) ব্ৰজাৱলী ভাষাৰ সৃষ্টি

(খ) হেম সৰস্বতী

(গ) চৰ্যাপদৰ ভাষা

(ঘ) ঊনবিংশ শতিকাৰ অসমীয়া আলোচনী আৰু অসমীয়া ভাষা

(ঙ) সাংস্কৃতিক সংযোগ আৰু ভাষা

(চ) অসমীয়া ভাষাৰ মান্যীকৰণ (standardization)

(ছ) মিছনেৰীৰ অসমীয়া ভাষা।